# ভাৰতৰ উচ্চতম ন্যায়ালয়

ফৌজদাৰী আপীল নং. ২৭৪/১৯৮৪

আবেদনকাৰী: শ্ৰীমতি গিয়ান কৌৰ

বনাম

উত্তৰদাতা: পঞ্জাব ৰাজ্য

ৰায়দানৰ তাৰিখ: ২১/০৩/১৯৯৬

বিচাৰপীঠ:

ভাৰ্মা, জগদীশ সাৰণ (ন্যা)

বিচাৰপীঠ:

ভাৰ্মা, জগদীশ সাৰণ (ন্যা)

ৰায়, জি.এন. (ন্যা)

সিং এন.পি. (ন্যা)

ফাইজান উদ্দিন (ন্যা)

নানাৱতী জি.টি. (ন্যা)

উদ্ধৃতি:

১৯৯৬ এআইআৰ ৯৪৬

১৯৯৬ এছচিচি (২) ৬৪৮

জেটি ১৯৯৬ (৩) ৩৩৯

১৯৯৬ স্কেল (২) ৮৮১

আইন:

মূল টোকা:

ৰায়:

লগতে ফৌজদাৰী আপীল নং. ১৬৭/১৯৮৪

সুৰত লাল

বনাম

ৰাজ কুমাৰ আৰু অন্যান্য

লগতে ফৌজদাৰী আপীল নং. ২৭৯/১৯৮৪

শ্ৰীমতী হাৰবান্স সিং আৰু আন এজন

বনাম

পঞ্জাৱ ৰাজ্য

লগতে ফৌজদাৰী আপীল নং ৩৬৩/১৯৯৬

(এছএলপি(চিআৰএল) নং ২৯৪৪/১৯৯৪ৰ পৰা উদ্ভৱ হোৱা)

চন্দ্ৰভূষণ

বনাম

মহাৰাষ্ট্ৰ ৰাজ্য

লগতে ফৌজদাৰী আপীল নং ৩৬৪/১৯৯৬

(এছএলপি(চিআৰএল) নং ২৯৪৩/১৯৯৫ ৰ পৰা উদ্ভৱ হোৱা)

দিলবাগ সিং আৰু অন্যান্য

বনাম

হিমাচল প্ৰদেশ ৰাজ্য

আৰু

লগতে ফৌজদাৰী আপীল নং ৩৬৫/১৯৯৬

(এছএলপি(চিআৰএল) নং ৪১৯৩/১৯৯৫ৰ পৰা উদ্ভৱ হোৱা)

লোকেন্দ্ৰ সিং

বনাম

মধ্য প্ৰদেশ ৰাজ্য

# ৰায়

**জে.এছ. ভাৰ্মা, ন্যায়াধীশ**

বিশেষ অনুমতি আবেদন মঞ্জুৰ কৰা হ’ল।

কুলৱন্ত কৌৰক আত্মহত্যাৰ বাবে উচটনি দিয়াৰ ওপৰাধত নিম্ন আদালতে আপীলকাৰী গিয়ান কৌৰ আৰু তেওঁৰ স্বামী হৰবান্স সিঙক ভাৰতীয় দণ্ড বিধি (সংক্ষেপে ভাঃদঃবিঃ) আইনৰ ধাৰা ৩০৬ৰ অধীনত দোষী সাব্যস্ত কৰে আৰু প্ৰত্যেককে ছবছৰৰ সশ্ৰম কাৰাবাসেৰে দণ্ডিত কৰে আৰু ২,০০০/- টকা জৰিমনা বিহে, অনাদায়ে অতিৰিক্ত নমাহৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। উচ্চ ন্যায়ালয়ত আপীল কৰাত দুয়োৰে দোষী সাব্যস্ত হোৱাটো বাহাল ৰাখে যদিও কেৱল গিয়ান কৌৰৰ সশ্ৰম কাৰাবাস তিনি বছৰলৈ কমাই দিয়ে। এই বিশেষ অনুমতি আবেদনসমূহ তেওঁলোকক ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ৰ অধীনত দোষী সাব্যস্ত কৰা আৰু শাস্তি প্ৰদানৰ বিৰুদ্ধে দাখিল কৰা হৈছে।

অন্যান্য বিষয়ৰ লগতে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ অসাংবিধানিক বুলি অভিযোগ উত্থাপন কৰি আপীলকাৰীসকলক দোষী সাব্যস্ত কৰাৰ বিৰুদ্ধে আপীল কৰা হৈছে। ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ৰ সাংবিধানিক বৈধতাক

প্ৰত্যাহ্বান জনাবলৈ উত্থাপন কৰা প্ৰথমটো যুক্তি এই আদালতৰ দুজন বিজ্ঞ ন্যায়াধীশৰ বিচাৰপীঠৰ পি. ৰথিনাম বনাম ভাৰত চৰকাৰ আৰু অন্যান্য (১৯৯৪ এছচিচি ৩৯৪) গোচৰৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰশীল য'ত ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ক সংবিধানৰ ২১ নং অনুচ্ছেদ উলংঘা কৰা বুলি অসাংবিধানিক বুলি কোৱা হৈছে। যুক্তি দৰ্শোৱা হৈছে যে যিহেতু পি. ৰথিনাম গোচৰত ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ক অসাংবিধানিক বুলি ঘোষণা কৰি মৃত্যুৰ অধিকাৰক সংবিধানৰ ২১ নং অনুচ্ছেদত অন্তৰ্ভুক্ত বুলি কোৱা হৈছে, সেয়েহে যিকোনো ব্যক্তিয়ে আন এজনক আত্মহত্যা কৰাৰ উচটনি দিয়াটো কেৱল ২১ নং অনুচ্ছেদৰ অধীনত মৌলিক অধিকাৰ বলবৎ কৰাত সহায় কৰা বুজায় আৰু সেয়েহে সহায়ক আত্মহত্যাক ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ৰ অধীনত দণ্ডীত কৰাটো ২১ নং অনুচ্ছেদক সমানেই উলংঘা কৰে। আহ্বান জনোৱা হৈছে যে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬টোও সংবিধানৰ ২১ নং অনুচ্ছেদ উলংঘা কৰা বাবে এই ধাৰাটোও অসাংবিধানিক বুলি ঘোষণা কৰিবলৈ কেৱল এই যুক্তিটোৱেই যথেষ্ট।

যিকোনো ব্যক্তিয়ে 'মৃত্যুৰ অধিকাৰ' বলবৎ কৰাত সহায় কৰাটো সংবিধানৰ ২১ নং অনুচ্ছেদত প্ৰদান কৰা মৌলিক অধিকাৰ বলবৎ কৰাত সহায় কৰা বুলি আৰু সেয়া দণ্ডনীয় হ'ব নোৱাৰে বুলি আৰু সেয়েহে সেই

কাৰ্য্যক ধাৰা ৩০৬ৰ অধীনত শাস্তিযোগ্য কৰি তোলাটোৱে ২১ নং অনুচ্ছেদ উলংঘা কৰে বুলি যুক্তি দৰ্শাবলৈ পোনপটীয়াকৈ উত্থাপন কৰা কথাটো হ'ল 'মৃত্যুৰ অধিকাৰ'ক ২১ নং অনুচ্ছেদৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্তকৰণ। পি. ৰথিনাম গোচৰৰ সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি এই যুক্তিৰ প্ৰতি লক্ষ্য ৰাখি সেই সিদ্ধান্তৰ পুনৰ বিবেচনা অনিবাৰ্য।

ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ৰ সাংবিধানিক বৈধতাৰ সৈতে জড়িত ২১ নং অনুচ্ছেদৰ ব্যাখ্যাৰ ক্ষেত্ৰত আইনৰ এক গুৰুত্বপূৰ্ণ প্ৰশ্ন জড়িত আৰু এই বিতৰ্কৰ তাৎপৰ্য্যৰ প্ৰতি লক্ষ্য ৰাখি পি. ৰথিনাম গোচৰৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰাৰ প্ৰয়োজন হোৱা বাবে এই আপীল শুনানিৰ বাবে লোৱা বিচাৰপীঠে উক্ত বিষয়ৰ ওপৰত সিদ্ধান্ত লবলৈ বিষয়টো সংবিধান বিচাৰপীঠলৈ প্ৰেৰণ কৰিছে। এইদৰেই এই বিষয়টো সংবিধান বিচাৰপীঠৰ সন্মুখত আছে।

পক্ষসমূহৰ বিজ্ঞ অধিবক্তা আৰু জাননীৰ প্ৰতি সঁহাৰি জনাই হাজিৰ হোৱা ভাৰতৰ এটৰ্নী জেনেৰেলৰ উপৰিও আমি জ্যেষ্ঠ অধিবক্তা শ্ৰী ফলি এছ. নৰিমান আৰু শ্ৰী ছলি জে. ছৰাবজীকো এই বিষয়ত ন্যায়মিত্ৰ হিচাপে হাজিৰ হ'বলৈ অনুৰোধ কৰিছিলোঁ। আমাৰ সন্মুখত হাজিৰ হোৱা সকলো বিজ্ঞ অধিবক্তাই এই সূক্ষ্ম আৰু স্পৰ্শকাতৰ বিষয়টোৰ সিদ্ধান্ত ল'ব পৰাকৈ যথেষ্ট সহায় কৰিছে।

আমি এতিয়া বিভিন্ন দৃষ্টিভংগীক সুদক্ষতাৰে প্ৰক্ষেপ কৰা কেইবাজনো বিজ্ঞ অধিবক্তাই দৰ্শোৱা যুক্তিসমূহ আলোচনা কৰিব পাৰো।

শ্ৰী উজাগৰ সিং আৰু শ্ৰী বি.এছ. মালিকে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ৰ আৰু ৩০৯ৰ সাংবিধানিক বৈধতাৰ প্ৰত্যাহ্বানক সমৰ্থন কৰিবলৈ আপীলকাৰীসকলৰ পক্ষে এই বিষয়সমূহত হাজিৰ হৈছে। দুয়োজন বিজ্ঞ অধিবক্তাই যুক্তি দৰ্শাইছে যে ধাৰা ৩০৬ৰ লগতে ধাৰা ৩০৯ অসাংবিধানিক। দুয়োজনে পি. ৰথিনাম গোচৰৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিছে। কিন্তু শ্ৰী উজাগৰ সিঙে পি. ৰথিনাম গোচৰৰ ভাঃদঃবিঃ আইনৰ কেৱল ধাৰা ৩০৯ৰ সাংবিধানিক অবৈধতাৰ সিদ্ধান্তক কেৱল ১৪ নং অনুচ্ছেদ উলংঘাৰ ভিত্তিতহে সমৰ্থন কৰিছে, ২১ নং অনুচ্ছেদ উলংঘা কৰাৰ ভিত্তিত নহয়। শ্ৰী বি.এছ. মালিকে দৰ্শাইছে যে ধাৰা ৩০৯ৰ সাংবিধানিক বৈধতাৰ প্ৰশ্নটো নিৰ্ণয় কৰাৰ বাবে ইচ্ছামৃত্যু প্ৰাসংগিক নহয়। তেওঁ দাবী কৰে যে ২১ নং অনুচ্ছেদক ইয়াৰ ভিতৰত তথাকথিত ‘মৃত্যুৰ অধিকাৰ’ অন্তৰ্ভুক্ত কৰা বুলি ধৰিব নোৱাৰি যিহেতু ২১ নং অনুচ্ছেদে জীৱন আৰু স্বাধীনতাৰ সুৰক্ষাৰ নিশ্চয়তা দিয়ে আৰু ইয়াৰ বিলুপ্তিৰ নিশ্চয়তা প্ৰদান নকৰে। তেওঁ দৰ্শাইছে যে ৩০৯ নং ধাৰাটোৱে ১৪ অনুচ্ছেদকো উলংঘা নকৰে কিয়নো তাত শাস্তিৰ ব্যৱস্থাই

আত্মহত্যাৰ চেষ্টা কৰা পৰিস্থিতিৰ দুৰ্ভগীয়া ভুক্তভোগীৰ ওপৰত সেই ব্যৱস্থাটো দয়াৰ সৈতে প্ৰয়োগ কৰাৰ যথেষ্ট বিবেচনা প্ৰদান কৰে। শ্ৰী নৰিমানে প্ৰকাশিত  সিদ্ধান্তসমূহ উল্লেখ কৰি ইংগিত দিয়ে যে আদালতে এই বিধান দয়াৰে সৈতে বলবৎ কৰিছে যাতে ইয়াৰ কাৰ্যকৰীতা কঠোৰ নহয়। শ্ৰী নৰিমানে দৰ্শাইছে যে পি. ৰথিনাম গোচৰৰ সিদ্ধান্ত সঠিক নহয় বাবে পুনৰ বিবেচনাৰ প্ৰয়োজন। শ্ৰী ছোলি জে. ছৰাবজীয়ে দৰ্শাইছে যে ভাঃদঃআঃ আইনৰ ধাৰা ৩০৬ ধাৰা ৩০৯ৰ পৰা স্বতন্ত্ৰভাৱে বৰ্তি থাকিব পাৰে কাৰণ ই ১৪ নং অনুচ্ছেদ বা ২১ নং অনুচ্ছেদ দুয়োটাকে উলংঘা নকৰে। শ্ৰী ছৰাবজীয়ে পি. ৰথিনাম গোচৰত ২১ নং অনুচ্ছেদত ‘মৃত্যুৰ অধিকাৰ’ অন্তৰ্ভুক্ত কৰিবলৈ কৰা ধাৰণাক সমৰ্থন কৰা নাই যদিও ৩০৯ নং ধাৰাটোৱে সংবিধানৰ ১৪ নং অনুচ্ছেদ উলংঘা কৰা বুলি ভিত্তি কৰি অসাংবিধানিক বুলি সিদ্ধান্ত লোৱাটো সমৰ্থন কৰে। শ্ৰী ছৰাবজীয়ে দৰ্শায় যে আত্মহত্যাৰ চেষ্টাক শাস্তি দিয়াৰ ব্যৱস্থা এটা দানৱীয় আৰু বৰ্বৰ বুলি সাৰ্বজনীনভাৱে স্বীকাৰ কৰা হৈছে আৰু সেয়েহে ইয়াক সংবিধানৰ ১৪ নং অনুচ্ছেদ উলংঘা কৰা বুলি ধৰিব লাগিব। সেয়েহে শ্ৰী ছৰাবজীৰ যুক্তি হ’ল যে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ক সাংবিধানিক বুলি মানি ল’ব লাগিব আৰু ধাৰা ৩০৯ক অসাংবিধানিক বুলি ধৰিব লাগিব কিন্তু পি. ৰথিনাম গোচৰত কোৱাৰ দৰে ২১ নং অনুচ্ছেদ উলংঘা কৰাৰ বাবে নহয় বৰং

সংবিধানৰ ১৪ নং অনুচ্ছেদ উলংঘা কৰাৰ বাবে| তেওঁ ১৪নং অনুচ্ছেদক যুক্তি ভিত্তি সমৰ্থন কৰিবলৈ ২১ নং অনুচ্ছেদৰ পৰাও সহায় বিচাৰিছে।

এই পৰ্যায়ত ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ৰ সাংবিধানিক বৈধতাৰ প্ৰশ্নটো বিবেচনা কৰা সিদ্ধান্তসমূহৰ উল্লেখ কৰাটো উপযুক্ত হ'ব।

মাৰুতি শ্ৰী পাতি দুবাল বনাম মহাৰাষ্ট্ৰ ৰাজ্য (১৯৮৭ Crl.L.J.৭৪৩) হৈছে বোম্বে উচ্চ ন্যায়ালয়ৰ এটা খণ্ড বিচাৰপীঠৰ সিদ্ধান্ত। সেই সিদ্ধান্তত ন্যায়াধীশ পি.বি.ছাৱন্তে, তেতিয়া খণ্ড বিচাৰপীঠৰ হৈ কৈছে যে ভাঃদঃবিঃ আইনৰ ৩০৯ ধাৰাটোৱে সংবিধানৰ ১৪ নং অনুচ্ছেদৰ লগতে ২১ নং অনুচ্ছেদ উলংঘা কৰে। ১৪ নং অনুচ্ছেদৰ দ্বাৰা নিশ্চিত কৰা সমতাক উলংঘা কৰে বুলি এই বিধানটো বৈষম্যমূলক প্ৰকৃতিৰ আৰু লগতে স্বেচ্ছাচাৰী বুলি ধৰা হৈছিল| ২১ নং অনুচ্ছেদে মৃত্যুৰ অধিকাৰ বা নিজৰ জীৱন শেষ কৰাৰ অধিকাৰ অন্তৰ্ভুক্ত কৰে বুলি ব্যাখ্যা কৰা হৈছিল। এই কাৰণে ইয়াক ২১ নং অনুচ্ছেদও উলংঘা কৰা বুলি ধৰা হৈছিল।

সঞ্জয় কুমাৰ ভাটিয়া বনাম ৰাজ্য (১৯৮৫ Crl.L.J.৯৩১) হৈছে দিল্লী উচ্চ ন্যায়ালয়ৰ এটা সিদ্ধান্ত। ন্যায়াধীশ ছচ্চৰে খণ্ড বিচাৰপীঠৰ হৈ কয় যে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ অব্যাহত ৰখাটো আমাৰ দৰে মানৱ সমাজৰ

বাবে অযোগ্য এক কালজয়ীতা। কিন্তু সংবিধানৰ কোনো ব্যৱস্থাৰ উল্লেখ কৰি ইয়াৰ সাংবিধানিক বৈধতাৰ প্ৰশ্নটো বিবেচনা কৰা হোৱা নাই| সেয়েহে এই সিদ্ধান্তৰ ওপৰত অধিক বিবেচনা কৰাটো প্ৰয়োজনীয় নহয়।

চেন্না জগদীশ্বৰ আৰু আন এজন বনাম অন্ধ্ৰ প্ৰদেশ ৰাজ্য (১৯৮৮ Crl.L.J.৫৪৯) হৈছে অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ সিদ্ধান্ত। ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ৰ সাংবিধানিক বৈধতাৰ প্ৰত্যাহ্বান তাত নাকচ কৰা হৈছিল। ২১ নং অনুচ্ছেদত 'মৃত্যুৰ অধিকাৰ' অন্তৰ্ভুক্ত থকা বুলি কৰা যুক্তি নাকচ কৰা হৈছিল| খণ্ড বিচাৰপীঠৰ হৈ ন্যায়াধীশ অমৰেথৱাৰীয়ে আঙুলিয়াই দিছিল যে যত্ন আৰু সহায়ৰ প্ৰয়োজন হোৱা লোকসকলৰ প্ৰতি যাতে অযুক্তিকৰ কঠোৰ ব্যৱহাৰ বা পক্ষপাতিত্ব কৰা নহয় সেয়া চাবলৈ আদালতৰ যথেষ্ট ক্ষমতা আছে| ইয়ে ১৪ নং অনুচ্ছেদৰ প্ৰস্তাৱিত উলংঘাক নাকচ কৰে।

এই আদালতৰ একমাত্ৰ সিদ্ধান্ত হৈছে পি. ৰথিনাম গোচৰত দুজন বিজ্ঞ ন্যায়াধীশৰ বিচাৰপীঠৰ দ্বাৰা লোৱা সিদ্ধান্ত| খণ্ড বিচাৰপীঠৰ হৈ ন্যায়াধীশ হান্সাৰিয়াই ১৪ নং অনুচ্ছেদৰ ভিত্তিত ৩০৯ নং ধাৰাৰ সাংবিধানিক বৈধতাৰ প্ৰত্যাহ্বান নাকচ কৰে যদিও সংবিধানৰ ২১ নং অনুচ্ছেদৰ ভিত্তিত এই

প্ৰত্যাহ্বানক সমৰ্থন কৰে। বোম্বে উচ্চ ন্যায়ালয় আৰু অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ সিদ্ধান্তসমূহ বিবেচনা কৰি অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ে ১৪ নং অনুচ্ছেদ ক্ষেত্ৰত ধাৰা ৩০৯ সন্দৰ্ভত গ্ৰহণ কৰা মতামতৰ সৈতে একমত প্ৰকাশ কৰা হয়। তাৰ পিছত সিদ্ধান্তটোৱে সংবিধানৰ ২১ নং অনুচ্ছেদৰ সন্দৰ্ভত প্ৰত্যাহ্বানটো বিবেচনা কৰিবলৈ আগবাঢ়ে| মত পোষন কৰা হৈছিল যে ২১ নং অনুচ্ছেদত যথেষ্ট ইতিবাচক বিষয়বস্তু আছে যিয়ে 'মৃত্যুৰ অধিকাৰ' ও অন্তৰ্ভুক্ত কৰি অনিবাৰ্যভাৱে আত্মহত্যাৰ অধিকাৰলৈ লৈ যায়। ২১ নং অনুচ্ছেদৰ বিষয়বস্তুৰ সন্দৰ্ভত বম্বে উচ্চ ন্যায়ালয়ৰ মতামতৰ সৈতে একমত প্ৰকাশ কৰি ইয়াক তলত দিয়া ধৰণে থিৰাং কৰা হৈছিল: <এছএলএছ>

'ওপৰৰ সকলো কথা মনত ৰাখি আমি কওঁ যে ২১ নং অনুচ্ছেদত কোৱা জীয়াই থকাৰ অধিকাৰে বলপূৰ্বক জীৱন যাপন নকৰাৰ অধিকাৰক লগত লৈ আহিছে।'

( পৃষ্ঠা ৪১০ )

<এছএলই>

আলোচনাৰ সামৰণি তলত দিয়া ধৰণে সামৰা হৈছিল:

<এছএলএছ>

"ওপৰত উল্লেখ কৰা কথাবোৰৰ ভিত্তিত আমি মত পোষন কৰোঁ যে আমাৰ দণ্ডবিধি আইনক মানৱীয় কৰি তুলিবলৈ দণ্ডবিধিৰ ৩০৯ নং ধাৰাটো বিধি পুথিৰ পৰা মচি পেলোৱাৰ যোগ্য।" ই এক নিষ্ঠুৰ আৰু অযুক্তিকৰ ব্যৱস্থা আৰু ইয়াৰ ফলত এনে এজন ব্যক্তিক পুনৰ (দুগুণ) শাস্তি দিয়া হ'ব পাৰে যিজনে যন্ত্ৰণাত ভুগিছে আৰু আত্মহত্যা কৰিব নোৱাৰাৰ বাবে অপমানৰ সন্মুখীন হ'বলগীয়া হৈছে। তেনেহলে আত্মহত্যাৰ কাৰ্য্যক ধৰ্ম, নৈতিকতা বা ৰাজহুৱা নীতিৰ বিৰুদ্ধে বুলি ক'ব নোৱাৰি আৰু আত্মহত্যাৰ চেষ্টাৰ কাৰ্য্যই সমাজত কোনো ক্ষতিকাৰক প্ৰভাৱ নেপেলায়। ইয়াৰ উপৰিও আত্মহত্যা বা ইয়াক সংঘটিত কৰাৰ চেষ্টাই আনৰ কোনো ক্ষতি নকৰে, যাৰ বাবে সংশ্লিষ্ট ব্যক্তিসকলৰ ব্যক্তিগত স্বাধীনতাত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ প্ৰয়োজন নাই।

আমি, সেয়েহে, মত পোষণ কৰো যে ধাৰা ৩০৯ য়ে ২১ নং অনুচ্ছেদ উলংঘা কৰে আৰু সেয়েহে ই অকাৰ্যকৰ| ক'ব পাৰি যে আমি গ্ৰহণ কৰা মতামতে কেৱল আজিৰ প্ৰয়োজনীয় মানৱীকৰণৰ কাৰণটোৱেই আগুৱাই নিয়াই নহয়, ই বিশ্বায়নৰ কাৰণো আগুৱাই নিব কিয়নো ধাৰা ৩০৯ মচি পেলালে আমি আমাৰ অপৰাধমূলক আইনখনৰ এই অংশটোক আমি বিশ্ব তৰংগদৈৰ্ঘ্য সৈতে খাপ খুৱাব পাৰিম।"

( পৃষ্ঠা ৪২৯ )

<এছএলই>

এই পৰ্যায়ত উল্লেখ কৰিব পাৰি যে পি. ৰথিনাম গোচৰত আৰু বম্বে উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তত ইচ্ছামৃত্যু, আত্মহত্যাৰ প্ৰৱণতাত অৰিহণা যোগোৱা, সমাজবিজ্ঞান আৰু মানসিক কাৰক আৰু আত্মহত্যাৰ চেষ্টাক শাস্তি নিদিয়াৰ বাঞ্ছনীয়তাৰ ওপৰত বিশ্বব্যাপী বিতৰ্কৰ প্ৰসংগ আনিছে। কেইবাটাও ন্যায়িক অধিকাৰক্ষেত্ৰত আত্মহত্যাৰ চেষ্টাক শাস্তি দিয়াৰ ব্যৱস্থাৰ অনুপস্থিতিও লক্ষ্য কৰা হৈছে। আত্মহত্যাৰ চেষ্টাক শাস্তিমূলক অপৰাধ হিচাপে গণ্য নকৰাৰ বাঞ্ছনীয়তা আৰু ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ মচি পেলোৱাৰ বাবে বিধি আয়োগৰ পৰামৰ্শ লক্ষ কৰা হৈছে। আমি কেৱল ভাৰতীয় বিধি আয়োগৰ ৪২ সংখ্যক প্ৰতিবেদন (১৯৭১)ত থকা পৰামৰ্শটোৰ কথাহে উল্লেখ কৰিব পাৰো য'ত এই যুক্তিৰ মূল কথা সন্নিবিষ্ট কৰা হৈছে আৰু এই সকলোবোৰ দিশৰ প্ৰতি লক্ষ্য ৰখা হৈছে। প্ৰাসংগিক অংশটো হ'ল তলত দিয়া ধৰণে:

<এছএলএছ>

"১৬.৩১ ধাৰা ৩০৯ত আত্মহত্যাৰ চেষ্টাক শাস্তি প্ৰদান কৰা হৈছে।" উল্লেখ কৰিব পাৰি যে প্ৰাচীন ভাৰতত কিছুমান পৰিস্থিতিত আত্মহত্যাক অনুমোদিত বুলি গণ্য কৰা হৈছিল। মনুৰ সংহিতাৰ "The hermit in the forest" নামৰ অধ্যায়টোত (চাওকঃ জৰ্জ বুহলাৰৰ দ্বাৰা অনুবাদিত মনুৰ নিয়ম, এফ.মেক্স

মুলাৰৰ সম্পাদনাত ছেক্ৰেড বুকছ অৱ দ্য ইষ্ট, (১৯৬৭ পুনৰ্মুদ্ৰণ) খণ্ড ২৫, পৃষ্ঠা ২০৪, জে শ্লোক ৩১ আৰু ৩২) কৈছেঃ

"৩১. বা তেওঁক সম্পূৰ্ণ দৃঢ়প্ৰতিজ্ঞ হৈ পোনে পোনে উত্তৰ-পূব দিশত পানী আৰু বায়ুৰ ওপৰত জীৱন নিৰ্বাহ কৰি খোজ কাঢ়িব দিয়ক, যেতিয়ালৈকে তেওঁৰ শৰীৰটো জিৰণি ল'বলৈ ডুব নাযায়।

৩১. মহামুনিসকলে সেই ধৰণৰ এটাৰে (অৰ্থাৎ ডুবি যোৱা, জ্বলোৱা বা অনাহাৰে থকা) শৰীৰ ত্যাগ কৰি ব্ৰাহ্মণ জগতত দুখ আৰু ভয়ৰ পৰা মুক্ত হৈ উচ্চতা লাভ কৰে।"

মনুৰ দুজন ধাৰাভাষ্যকাৰ গোবৰ্ধন আৰু কুল্লুক (মেধাতিথিৰ মনুৰ ব্যাখ্যান চাওক) কৈছে যে এজন মানুহে এনে যাত্ৰাত মহাপ্ৰস্থান গ্ৰহণ কৰিব পাৰে যিটোৰ অন্ত পৰে মৃত্যুত, যেতিয়া তেওঁ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হয় বা কোনো বৃহৎ দুৰ্ভাগ্যৰ সন্মুখীন হয় আৰু যিহেতু ই শাস্ত্ৰত শিকোৱা হৈছে, ই আত্মহত্যা নিষিদ্ধ কৰা বৈদিক নিয়মৰ বিৰোধী নহয় (জৰ্জ বুহলাৰৰ দ্বাৰা অনুবাদিত ল'জ অৱ মনু, এফ.মেক্স মুলাৰৰ সম্পাদনাত ছেক্ৰেড বুকছ অৱ দ্য ইষ্ট, (১৯৬৭ পুনৰ্মুদ্ৰণ) খণ্ড ২৫, পৃষ্ঠা ২০৪, ফুটনোট ৩১)। এই ক্ষেত্ৰত মেক্স মুলাৰে তলত দিয়া ধৰণে এটা টোকা যোগ কৰিছে : (চাওকঃ একে উৎস)

"অপস তম্ভ দ্বিতীয়, ২৩, ২ৰ সমান্তৰাল অংশৰ পৰা- অৱশ্যে এইটো স্পষ্ট যে অনাহাৰে স্বেচ্ছামূলক মৃত্যুক সন্ন্যাসীৰ জীৱনৰ উপযুক্ত সিদ্ধান্ত বুলি গণ্য কৰা হৈছিল। এই প্ৰথাৰ প্ৰাচীনতা আৰু সাধাৰণ প্ৰাদুৰ্ভাৱ এই কথাৰ পৰা অনুমান কৰিব পাৰি যে জৈন তপস্বীসকলেও ইয়াক বিশেষভাৱে প্ৰংশসনীয় বুলি গণ্য কৰে।"

১৬.৩২ আত্মহত্যাৰ চেষ্টা কৰাৰ অপৰাধটোলৈ চাই এজন ইংৰাজ লেখকে মন্তব্য কৰিছে: (চাওকঃ এইচ.ৰমিলি ফেডেন: আত্মহত্যা (লণ্ডন, ১৯৩৮), পৃষ্ঠা ৪২)।

"যিজন ব্যক্তিয়ে ইতিমধ্যে জীৱনটো ইমানেই অসহ্যকৰ, সুখৰ সম্ভাৱনা ইমানেই কম বাবে তেওঁ জীয়াই নাথাকি যন্ত্ৰণা আৰু মৃত্যুৰ সন্মুখীন হ'বলৈ ইচ্ছুক হৈ পৰিছে, তেওঁৰ ওপৰত অধিক দুখ-কষ্টৰ সৃষ্টি কৰাটো যেন এক দানৱীয় পদ্ধতি। যিসকলৰ বাবে জীৱনটো সম্পূৰ্ণ তিক্ততাৰে ভৰা, তেওলোকক আৰু অধিক তিক্ততা আৰু অৱনতিৰ বলি কৰা বিধান বিকৃত আইন যেন লাগে।"

এনে ব্যক্তি সমাজৰ সক্ৰিয় সহানুভূতিৰ যোগ্য আৰু নিন্দা বা শাস্তিৰ যোগ্য নহয় বুলি মত পোষণ কৰি ব্ৰিটিছ সংসদে ১৯৬১ চনত আত্মহত্যাৰ আইন প্ৰণয়ন কৰে যাৰ দ্বাৰা আত্মহত্যাৰ চেষ্টা অপৰাধ হোৱাটো বন্ধ হৈ পৰে।

"১৬.৩৩ আমি আমাৰ প্ৰশ্নাৱলীত এই প্ৰশ্নটো অন্তৰ্ভুক্ত কৰিছিলো যে আত্মহত্যাৰ চেষ্টা আচলতে শাস্তিযোগ্য হ'ব লাগে নেকি? মতামত কম বেছি পৰিমাণে সমানে বিভক্ত আছিল। আমি অৱশ্যে নিশ্চিতভাৱে মত প্ৰকাশ কৰিছো যে শাস্তিমূলক বিধানটো কঠোৰ আৰু অযুক্তিকৰ আৰু ইয়াক বাতিল কৰা উচিত।"

(জোৰ দিয়া হৈছে)

<এছ্এলই>

১৯৭২ চনত ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ সংশোধন কৰিবলৈ এখন বিধেয়ক উত্থাপন কৰা হয়। কিন্তু বিধেয়কখন ম্যাদ উকলি গল আৰু বিধি আয়োগৰ সেই পৰামৰ্শ কাৰ্যকৰী কৰাৰ কোনো প্ৰচেষ্টা এতিয়াও কৰা হোৱা নাই।

ধাৰা ৩০৯ক আইনত বাহাল ৰখাৰ বাঞ্ছনীয়তা এটা বেলেগ বিষয় আৰু সেই বিধানৰ সাংবিধানিক বৈধতাৰ প্ৰেক্ষাপটত ভাৰতৰ সংবিধানৰ কিছুমান বিধানৰ সংক্ৰান্তত পৰীক্ষা কৰিবলগীয়া সেই বিধি অপ্ৰাসংগিক। এই উদ্দেশ্যে

ধৰি লোৱা হলেও যে ভাঃদঃবিঃ আইনৰ পৰা ৩০৯ নং ধাৰাটো মচি পেলোৱাটো বাঞ্ছনীয়  আৰু কিছুমান কাৰণত বিধি আয়োগে পৰামৰ্শ দিছিল আৰু এনে ব্যৱস্থা অব্যাহত ৰখাৰ বিৰোধিতা কৰা ব্যক্তিসকলে সেই মতামত গঠন কৰিছিল, সেয়াই ধাৰা ৩০৯ক অসাংবিধানিক ঘোষণা কৰাৰ একমাত্ৰ কাৰণ হ'ব নোৱাৰে যদিহে সংবিধানৰ কোনো নিৰ্দিষ্ট বিধান উলংঘা নকৰে| এই কাৰণেই ধাৰা ৩০৯ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনোৱা হৈছে আৰু ইয়াকো কেৱল সংবিধানৰ ১৪ আৰু ২১ নং অনুচ্ছেদৰ সন্দৰ্ভত বিবেচনা কৰাটো প্ৰয়োজনীয়। গতিকে আমি এতিয়া সংবিধানৰ ১৪ আৰু ২১ নং অনুচ্ছেদৰ সন্দৰ্ভত সাংবিধানিক বৈধতাৰ প্ৰশ্নটো বিবেচনা কৰিবলৈ আগবাঢ়িছো। আত্মহত্যাৰ চেষ্টাক শাস্তি প্ৰদানৰ বাবে শাস্তিমূলক ব্যৱস্থা ৰখাৰ বাঞ্ছনীয়তাৰ ওপৰত বিশ্বব্যাপী বিতৰ্কৰ আৰু কোনো প্ৰসংগ এই সিদ্ধান্তৰ উদ্দেশ্যে অপ্ৰয়োজনীয়।  সেই দিশটোৰ ওপৰত অযথা গুৰুত্ব আৰু বিশেষকৈ ইচ্ছামৃত্যুৰ প্ৰসংগই বিধানটোৰ সাংবিধানিকতা আৰু মূল বিষয়ৰ নিৰ্ণায়ক কথাটোক কুঁৱলীৰ দৰে কৰি পেলোৱাৰ প্ৰৱণতা থাকে।

পি. ৰথিনাম গোচৰত কোৱা হৈছিল যে ২১ নং অনুচ্ছেদৰ পৰিসৰত 'মৃত্যুৰ অধিকাৰ' অন্তৰ্ভুক্ত হৈ আছে|  পি. ৰথিনাম গোচৰত কোৱা কৈছিল

যে ২১ নং অনুচ্ছেদৰো ইতিবাচক বিষয়বস্তু আছে আৰু ইয়াৰ প্ৰসাৰতা কেৱল নেতিবাচক নহয়৷ ২১ নং অনুচ্ছেদৰ বহল পৰিসৰক সূচাবলৈ কিছুমান সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল য'ত 'জীৱন' শব্দটোৱে 'কেৱল প্ৰাণীৰ অস্তিত্ব' নহয় বৰঞ্চ জীৱনৰ মানদণ্ডক আকোৱালি লৈ মানৱ মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰ' বুজায়৷ বাক আৰু মত প্ৰকাশৰ স্বাধীনতাত কথা নোকোৱাৰ স্বাধীনতা অন্তৰ্ভুক্ত থকা, সংগঠন আৰু গতিবিধিৰ স্বাধীনতাত কোনো সংঘত যোগদান নকৰা আৰু কতো নোযোৱাৰ স্বাধীনতা অন্তৰ্ভুক্ত থকা আৰু ব্যৱসায়ৰ স্বাধীনতাত ব্যৱসায় নকৰাৰ স্বাধীনতা অন্তৰ্ভুক্ত থকা আদি ব্যাখ্যাৰ উপমা গ্ৰহন কৰি পি. ৰথিনাম গোচৰত কোৱা হৈছিল যে যুক্তিগতভাৱে ইয়াৰ দ্বাৰা ধাৰণা কৰিব লাগিব যে জীয়াই থকাৰ অধিকাৰৰ ভিতৰত জীয়াই নথকাৰ অধিকাৰ অৰ্থাৎ মৃত্যুৰ অধিকাৰ বা নিজৰ জীৱনৰ অন্ত পেলোৱাৰ অধিকাৰ অন্তৰ্ভুক্ত আছে৷ ২১ নং অনুচ্ছেদত মৃত্যুৰ অধিকাৰো অন্তৰ্ভুক্ত কৰা হৈছে বুলি সিদ্ধান্ত লোৱাৰ পিছত এই সিদ্ধান্ত লোৱা হৈছিল যে ভাঃদঃবিঃ আইনৰ ৩০৯ নং ধাৰাটোৱে ২১ নং অনুচ্ছেদ উলংঘা কৰিছে৷ পি. ৰথিনাম গোচৰত ভাঃদঃবিঃ আইনৰ ৩০৯ ধাৰাটো অসাংবিধানিক বুলি ধৰাৰ এইটোৱেই আছিল একমাত্ৰ ভিত্তি৷ 'মৃত্যুৰ অধিকাৰ' - ইয়াক ২১ নং অনুচ্ছেদত অন্তৰ্ভুক্ত কৰা হৈছেনে?

প্ৰথম প্ৰশ্নটো হ’ল: ২১ নং অনুচ্ছেদৰ পৰিসৰত ‘মৃত্যুৰ অধিকাৰ’ও অন্তৰ্ভুক্ত হৈ আছেনে? ২১ নং অনুচ্ছেদটো তলত দিয়া ধৰণে: ২১ নং অনুচ্ছেদ তলত দিয়া ধৰণেঃ

<এছ্এলএছ্>

"২১. জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষাঃ আইনে স্থাপন কৰা পদ্ধতিৰ বাহিৰে কোনো ব্যক্তিক নিজৰ জীৱন বা ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত কৰা নহ'ব।"

<এছ্এলই>

এই দিশটোৰ ওপৰত পি. ৰথিনাম গোচৰৰ ৰায়দানৰ এটা উল্লেখযোগ্য অংশ তলত দিয়া ধৰণে:

<এছ্এলএছ্>

"যদি কোনো ব্যক্তিৰ জীয়াই থকাৰ অধিকাৰ আছে, তেন্তে প্ৰশ্নটো হ'ল তেওঁৰ জীয়াই নথকাৰ অধিকাৰ আছে নেকি? বম্বে উচ্চ ন্যায়ালয়ে নিজৰ ৰায়ৰ ১০ নং অনুচ্ছেদত উল্লেখ কৰিছে যে যিহেতু সকলো মৌলিক অধিকাৰ একেলগে পঢ়িব লাগে, যিদৰে আৰ.চি. কুপাৰ বনাম ভাৰত চৰকাৰ গোচৰত কোৱা হৈছে যে যি এটা মৌলিক অধিকাৰৰ ক্ষেত্ৰত সত্য সেয়া আন মৌলিক

অধিকাৰৰ ক্ষেত্ৰতেও সত্য। সেয়েহে কোৱা হৈছিল যে মৌলিক অধিকাৰৰ ইতিবাচক দিশৰ লগতে নেতিবাচক দিশ থকাটোক বিতৰ্ক কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, বাক আৰু মত প্ৰকাশৰ স্বাধীনতাত কথা নোকোৱাৰ স্বাধীনতাও অন্তৰ্ভুক্ত। একেদৰে সংগঠন আৰু গতিবিধিৰ স্বাধীনতাত কোনো সংঘত যোগদান নকৰা বা ক'লৈকো নোযোৱাৰ স্বাধীনতাও অন্তৰ্ভুক্ত কৰা হৈছে। সেইদৰে ব্যৱসায়ৰ স্বাধীনতাত ব্যৱসায় নকৰাৰ স্বাধীনতাও অন্তৰ্ভুক্ত। সেয়েহে কোৱা হৈছিল যে যুক্তিগতভাৱে ধৰিব লাগিব যে জীয়াই থকাৰ অধিকাৰত জীয়াই নথকাৰ অধিকাৰ অৰ্থাৎ মৃত্যুৰ অধিকাৰ বা নিজৰ জীৱন সমাপ্ত কৰাৰ অধিকাৰও অন্তৰ্ভুক্ত হৈ আছে।

ওপৰত উল্লেখ কৰা দুজন আৰু বোম্বে উচ্চ ন্যায়ালয়ৰ ৰায়ৰ সমালোচকে কৈছে যে পূৰ্বতে উল্লেখ কৰা উপমাটো "ভুল", যি মৌলিক অধিকাৰ আৰু আন বিষয়ৰ মাজৰ অন্তৰ্নিহিত পাৰ্থক্যক আওকাণ কৰি স্বাধীনতাসমূহৰ মাজত অসাৰ তুলনাৰ বাবেই উদ্ভৱ হৈছে। যুক্তি দৰ্শোৱা হৈছে যে জীয়াই থকাৰ অধিকাৰৰ নেতিবাচক দিশৰ অৰ্থ হ'ব ইতিবাচক দিশটোৰ অন্ত বা বিলুপ্ত, আৰু সেয়েহে ই অধিকাৰৰ নিলম্বন নহয় যেনেদৰে 'মৌনতা' বা 'সংগঠনত যোগদান নকৰা' বা 'বিচৰণ নকৰা'ৰ ক্ষেত্ৰত হয়।' ইয়াৰ উপৰিও কোৱা হৈছে যে আন সকলো অধিকাৰ জীয়াই থকাৰ অধিকাৰৰ

পৰা উৎপন্ন হোৱাৰ বাবে জীৱনৰ অধিকাৰ আন অধিকাৰৰ পৰা পৃথক ভিত্তিত বিদ্যমান।

ওপৰৰ সমালোচনাটো আংশিকভাৱেহে শুদ্ধ কাৰণ ১৯ নং অনুচ্ছেদৰ বিভিন্ন দফাৰ দ্বাৰা প্ৰদান কৰা অধিকাৰৰ উপমাৰ ওপৰত নেতিবাচক দিশটো অনুমানযোগ্য নহ'বও পাৰে, কোনোবাই জীয়াই থাকিবলৈ অস্বীকাৰ কৰিব পাৰে, যদিহে তেওঁৰ জীৱনটো সংশ্লিষ্ট ব্যক্তিজনৰ মতে জীয়াই থকাৰ যোগ্য নহয় বা যদি জীৱনৰ সমৃদ্ধি আৰু পূৰ্ণতাই আৰু অধিক জীয়াই থকাৰ হেপাহ প্ৰদান নকৰে। কোনোবাই হয়তো সঠিকভাৱে ভাবিব পাৰে যে সকলো লৌকিক আনন্দ বা সুখ লাভ কৰাৰ পিছত এই জীৱনৰ বাহিৰত কিবা লাভ কৰিবলগীয়া আছে। ঈশ্বৰৰ সৈতে মিলনৰ এই আকাংক্ষাই হয়তো অতি সঠিকভাৱে অতি সুস্থ মন এটাকো ভাবিবলৈ বাধ্য কৰিব যে তেওঁ নিজৰ জীয়াই থকাৰ অধিকাৰ ত্যাগ কৰি জীয়াই নাথাকিবলৈ ইচ্ছুক হ'ব। যিকোনো ক্ষেত্ৰতে এজন ব্যক্তিক তেওঁৰ ক্ষতি, অসুবিধা বা অপছন্দত জীৱনৰ অধিকাৰ উপভোগ কৰিবলৈ বাধ্য কৰিব নোৱাৰি।

xxx xxx xxx

ওপৰৰ সকলোবোৰ কথা মনত ৰাখি আমি কওঁ যে ২১ নং অনুচ্ছেদ য'ত জীয়াই থকাৰ অধিকাৰৰ কথা কোৱা হৈছে, বলপূৰ্বক জীৱন যাপন নকৰাৰ অধিকাৰ লগত লৈ আহিছে। এই প্ৰসংগত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ আইন আৰু মনোৰোগ বিজ্ঞানৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা এলান এ. ষ্টোনে ১৯৮৭ চনত আইন আৰু মনোৰোগ বিভাগৰ জ'নাছ ৰবিটচাৰ মেম'ৰিয়েল বক্তৃতাত "মৃত্যুৰ অধিকাৰ: আইন, চিকিৎসা আৰু মনোৰোগ চিকিৎসাৰ বাবে নতুন সমস্যা" শীৰ্ষক শিৰোনামেৰে কোৱা কথাখিনিৰ উল্লেখ কৰিব পাৰি (এই বক্তৃতাটো ইমোৰী ল জাৰ্নেল, খণ্ড ৩৭, ১৯৮৮ৰ পৃষ্ঠা ৬২৭ৰ পৰা ৬৪৩ত ছপা কৰা হৈছে)। অধ্যাপক ষ্টোনৰ বক্তৃতাৰ এটা মৌলিক তত্ত্ব আছিল যে মৃত্যুৰ অধিকাৰে আত্মহত্যাৰ অধিকাৰ অনিবাৰ্যভাৱে লৈ আহে।"

(জোৰ দিয়া হৈছে)

(পৃষ্ঠা ৪০৯-৪১০)

<এছএলই>

ওপৰৰ উদ্ধৃতিটোৰ পৰা স্পষ্ট যে মূলতঃ সেই মতৰ কাৰণটো হ'ল যদি কোনো ব্যক্তিৰ জীয়াই থকাৰ অধিকাৰ আছে, তেন্তে তেওঁৰ জীয়াই নথকাৰ অধিকাৰো আছে। সেই মতামত গ্ৰহণৰ বাবে নিৰ্ভৰ কৰা সিদ্ধান্তসমূহ অন্যান্য মৌলিক অধিকাৰৰ সৈতে জড়িত যিবোৰে বিভিন্ন পৰিস্থিতি আৰু বিভিন্ন ধৰণৰ

অধিকাৰৰ সৈতে জড়িত। সেইবোৰত মৌলিক অধিকাৰ আছিল ইতিবাচক ধৰণৰ, যেনে বাক স্বাধীনতা, সংগঠনৰ স্বাধীনতা, চলাচলৰ স্বাধীনতা, ব্যৱসায়ৰ স্বাধীনতা আদি যিবোৰৰ দ্বাৰা সেই অধিকাৰ ব্যৱহাৰ কৰিবলৈ নিশ্চিত ইতিবাচক কাৰ্য্যটো কৰি নেতিবাচক দিশটো অন্তৰ্ভুক্ত কৰাৰ কোনো বাধ্যবাধকতা নাছিল। সেই সিদ্ধান্তসমূহত কেৱল এইটোৱেই কোৱা হৈছিল যে কোনো কাম কৰাৰ অধিকাৰৰ ভিতৰত সেই ধৰণে কোনো কাম নকৰাৰ অধিকাৰো অন্তৰ্ভুক্ত। সেই সিদ্ধান্তসমূহৰ ভিত্তিত এইটো কব নোৱাৰি যে যদিহে অধিকাৰ আনৰ কোনো অনুপ্ৰৱেশৰ পৰা সুৰক্ষাৰ বাবে হয় অৰ্থাৎ অধিকাৰৰ নেতিবাচক দিশটো ইয়াৰ অবিৰত ব্যৱহাৰৰ পৰা আনৰ দ্বাৰা বঞ্চিত নহয় যেনে- জীৱনৰ অধিকাৰ বা ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ, তেন্তে ইয়াৰ বিপৰীতে ইতিবাচক কাৰ্য্যটোৱেও তেনে অধিকাৰধাৰকে ইয়াক বন্ধ বা বিলুপ্ত কৰাৰ স্পষ্ট অনুমতি দিয়ে। সেই সিদ্ধান্তবোৰত সেই অধিকাৰৰ নেতিবাচক দিশটো চোৱা হৈছিল যাৰ বাবে কোনো ইতিবাচক বা প্ৰকাশ্য কাৰ্য্য ইংগিতৰ দ্বাৰা কৰাৰ প্ৰয়োজন নাছিল। এই নীতি প্ৰয়োগৰ বাবে তুলনা কৰাৰ সময়ত অধিকাৰৰ প্ৰকৃতিৰ এই পাৰ্থক্য মনত ৰাখিব লাগিব।

যেতিয়া কোনো মানুহে আত্মহত্যা কৰে তেতিয়া তেওঁ কিছুমান ইতিবাচক প্ৰকাশ্য কাৰ্য্য হাতত ল'বলগীয়া হয় আৰু সেই কাৰ্য্যসমূহৰ উৎপত্তি

অনুসন্ধান কৰিব নোৱাৰি, বা ২১ নং অনুচ্ছেদৰ অধীনত ‘জীৱনৰ অধিকাৰ’ৰ সুৰক্ষাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব নোৱাৰি। ‘জীৱনৰ পবিত্ৰতা’ৰ উল্লেখযোগ্য দিশটোও উপেক্ষা কৰিব নালাগে। ২১ নং অনুচ্ছেদ হৈছে জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰা এটা বিধান আৰু কোনো কল্পনাৰ দ্বাৰা জীৱনৰ বিলুপ্তিক জীৱনৰ সুৰক্ষাত অন্তৰ্ভুক্ত বুলি পঢ়িব নোৱাৰি। আত্মহত্যা কৰি এজন ব্যক্তিক নিজৰ জীৱন সমাপ্ত কৰিবলৈ অনুমতি দিয়াৰ দৰ্শন যিয়েই নহওক কিয়, আমি ২১ নং অনুচ্ছেদটোক ইয়াৰ ভিতৰত মৃত্যুৰ অধিকাৰ’ক নিশ্চিত কৰা মৌলিক অধিকাৰৰ অংশ হিচাপে অন্তৰ্ভুক্ত কৰিছে বুলি কবলৈ অসুবিধা পৰিছো। ‘জীৱনৰ অধিকাৰ’ ২১ নং অনুচ্ছেদত সন্নিৱিষ্ট এক স্বাভাৱিক অধিকাৰ কিন্তু আত্মহত্যা হৈছে জীৱনৰ অস্বাভাৱিক সমাপ্তি বা বিলুপ্তি আৰু সেয়েহে জীৱনৰ অধিকাৰৰ ধাৰণাটোৰ সৈতে অসঙ্গতিপূৰ্ণ। সন্মানেৰে আৰু সম্পূৰ্ণ নম্ৰতাৰে আমি কওঁ যে আমি আন অধিকাৰৰ প্ৰকৃতিত কোনো সাদৃশ্য বিচাৰি পোৱা নাই যেনে বাক স্বাধীনতাৰ অধিকাৰ আদি, যাৰ দ্বাৰা আমি এক তুলনামূলক ভিত্তি প্ৰদান কৰিব পাৰো যে ‘জীৱনৰ অধিকাৰ’ত 'মৃত্যুৰ অধিকাৰ' অন্তৰ্ভুক্ত আছে। ২১ নং অনুচ্ছেদৰ প্ৰসংগত উল্লেখ কৰা কাৰণটোৰ বাবে তুলনাটো অনুপযুক্ত। অন্যান্য মৌলিক অধিকাৰৰ সৈতে জড়িত সিদ্ধান্তসমূহ, য'ত অধিকাৰ প্ৰয়োগৰ বাধ্যবাধকতাৰ অভাৱকেই সেই

অধিকাৰৰ ব্যৱহাৰৰ ভিতৰত অন্তৰ্ভুক্ত বুলি ধৰা হৈছিল, সেইবোৰ অনুচ্ছেদ ২১ সন্দৰ্ভত পি. ৰথিনাম গোচৰত লোৱা মতামতক সমৰ্থন কৰিবলৈ যথেষ্ঠ নহয়।

২১ নং অনুচ্ছেদত উল্লেখ কৰা 'জীৱন' শব্দটোক অৰ্থ আৰু পূৰ্ণতা প্ৰদান কৰিবলৈ ইয়াক মানৱীয় মৰ্যাদাৰে জীৱন বুলি ধৰি লোৱা হৈছে। জীৱনৰ যিকোনো দিশ যিয়ে ইয়াক মৰ্যাদাপূৰ্ণ কৰি তোলে, সেই দিশটো ইয়াত বিবেচনা কৰিব পাৰি কিন্তু যিয়ে ইয়াক সমাপ্ত কৰে আৰু ফলস্বৰূপে জীৱনৰ অস্তিত্ব অব্যাহত থকাৰ সৈতে অসঙ্গতিপূৰ্ণ, সেই দিশটো অধিকাৰটোক মচি পেলায়। মৃত্যুৰ অধিকাৰ, যদি আছে, জীৱনৰ অধিকাৰৰ সৈতে সহজাতভাৱে অসঙ্গতিপূৰ্ণ যিদৰে মৃত্যুৰ সৈতে জীৱন অসঙ্গতিপূৰ্ণ।

'জীৱনৰ পবিত্ৰতা' বা মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰ'ৰ নীতিৰ সৈতে সম্পৰ্কহীন হোৱাটো কোনো স্থায়ী জড়তা অৱস্থাত থকা দুৰাৰোগ্য ৰোগীৰ বাবে লাভজনক নহয় বুলি ইচ্ছামৃত্যুৰ পোষকতাই জীৱনৰ অধিকাৰৰ নিশ্চয়তাত মৃত্যুৰ অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছে নে নাই সেইটো নিৰ্ণয় কৰাৰ বাবে ২১ নং অনুচ্ছেদৰ পৰিসৰ নিৰ্ধাৰণ কৰাত সহায় নকৰে। মানৱ মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰকে ধৰি জীৱনৰ অধিকাৰৰ অৰ্থ হ'ল প্ৰাকৃতিক জীৱনৰ শেষলৈকে এনে অধিকাৰৰ অস্তিত্ব। ইয়াৰ ভিতৰত মৃত্যুৰ মৰ্যাদাপূৰ্ণ পদ্ধতিকে

ধৰি মৃত্যুৰ সময়লৈকে মৰ্যাদাপূৰ্ণ জীৱনৰ অধিকাৰো অন্তৰ্ভুক্ত। অৰ্থাৎ ইয়াৰ ভিতৰত মৃত্যুমুখত পৰা মানুহৰ জীৱনটোও মৰ্যাদাৰ সৈতে মৃত্যুবৰণ কৰাৰ অধিকাৰো থাকিব পাৰে। কিন্তু জীৱনৰ শেষত মৰ্যাদাপূৰ্ণ মৃত্যুৰ অধিকাৰক জীৱনৰ স্বাভাৱিক সময়সীমা কমাই দিয়া অস্বাভাৱিক মৃত্যুক বিভ্ৰান্ত বা মৃত্যুৰ অধিকাৰৰ সৈতে সমান বুলি ধৰিব নালাগে।

মৃত্যুমুখত পৰা মানুহ এজনৰ প্ৰসংগত, যিজনে মৃত্যুমুখী অসুস্থ বা স্থায়ী জড়তা অৱস্থাত আছে, সেই পৰিস্থিতিত তেওঁক জীৱনৰ অকাল বিলুপ্তিৰে ইয়াক সমাপ্ত কৰিবলৈ অনুমতি দিয়া হ'ব পাৰে। যেতিয়া প্ৰাকৃতিক জীৱনৰ অন্ত পৰাৰ ফলত হোৱা মৃত্যু নিশ্চিত আৰু প্ৰাকৃতিক মৃত্যুৰ প্ৰক্ৰিয়া আৰম্ভ হয় তেতিয়া এই শ্ৰেণীৰ বিষয়সমূহ মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰৰ অংশ হিচাপে মৰ্যাদাৰে 'মৃত্যুৰ অধিকাৰ'ৰ পৰিসৰৰ ভিতৰত পৰিব পাৰে। এইবোৰ জীৱন অন্ত নহয় বৰঞ্চ ইতিমধ্যে আৰম্ভ হোৱা প্ৰাকৃতিক মৃত্যুৰ প্ৰক্ৰিয়াটোৰ ত্বৰান্বিত কৰাহে। এনে ক্ষেত্ৰতো চিকিৎসকৰ সহায়ত জীৱন সমাপ্ত কৰাৰ অনুমতি দিয়াৰ বিতৰ্ক নিৰ্ণায়ক নহয়। এইখিনিতে পুনৰ কোৱাটোৱে যথেষ্ট যে নিৰ্দিষ্ট প্ৰাকৃতিক মৃত্যুৰ প্ৰক্ৰিয়াৰ সময়ত দুখ-কষ্টৰ সময়সীমা হ্ৰাস কৰিবলৈ এনে ক্ষেত্ৰত জীৱন সমাপ্ত কৰাৰ অনুমতি দিয়াৰ মতামতক সমৰ্থন কৰা

যুক্তিটোৰে ২১ নং অনুচ্ছেদৰ ব্যাখ্যা কৰি তাত জীৱনৰ প্ৰাকৃতিক সময়সীমা হ্ৰাস কৰাৰ অধিকাৰ অন্তৰ্ভুক্ত কৰিবলৈ উপযুক্ত নহয়।

গতিকে আমি পি. ৰথিনাম গোচৰত কৰা ২১ নং অনুচ্ছেদৰ ব্যাখ্যাৰ সৈতে একমত হ'ব পৰা নাই। ৩০৯ নং ধাৰাটোক পি. ৰথিনাম গোচৰত ২১ নং অনুচ্ছেদ উলংঘা কৰা বুলি ধৰাৰ একমাত্ৰ কাৰণটোৰেই আইনী নিৰীক্ষণত উত্তীৰ্ণ হোৱা নাই। আমি মত পোষণ কৰিব নোৱাৰো যে ধাৰা ভাঃদিঃবিঃ আইনৰ ৩০৯ ধাৰাটো ২১ নং অনুচ্ছেদ উলংঘা কৰিছে।

পি. ৰথিনাম গোচৰত লোৱা সিদ্ধান্তক সমৰ্থন কৰিবলৈ এতিয়া বিবেচনাৰ বাবে একমাত্ৰ প্ৰশ্নটো হ'ল ভাঃদিঃবিঃ আইনৰ ৩০৯ ধাৰাটো ১৪ নং অনুচ্ছেদ উলংঘা কৰিছে নেকি?

ওপৰত আলোচনা কৰা পি. ৰথিনাম গোচৰৰ সিদ্ধান্তৰ ভিত্তি শ্ৰী বি.এছ. মালিকৰ বাহিৰে আন কোনো বিজ্ঞ অধিবক্তাই সমৰ্থন কৰা নাই। পি.ৰথিনাম গোচৰৰ সিদ্ধান্তৰ ভিত্তিত দৰ্শোৱা হৈছিল যে ৩০৬ নং ধাৰাটোৱেও পূৰ্বে উল্লেখ কৰা অনুসৰি ২১ নং অনুচ্ছেদ উলংঘা কৰে। আমি মতামত উপনিত হৈছো যে ২১ নং অনুচ্ছেদত মৃত্যুৰ অধিকাৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই যিদৰে পি. ৰথিনাম গোচৰত কোৱা হৈছে, সেই ভিত্তিত ভাঃদঃবিঃ আইনৰ ধাৰা

৩০৬ৰ সাংবিধানিক বৈধতাক প্ৰত্যাহ্বান জনোৱা প্ৰথমটো যুক্তিও বিফল হয়, আৰু নাকচ কৰা হ'ল।

অনুচ্ছেদ ১৪ - ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ ৰ দ্বাৰা ইয়াক উলংঘা কৰা হৈছেনে?

আমি এতিয়া সংবিধানৰ ১৪ নং অনুচ্ছেদ  সন্দৰ্ভত ৩০৯ নং ধাৰাটোৰ সাংবিধানিক বৈধতা বিবেচনা কৰিম। মূলতঃ শ্ৰী উজাগৰ সিঙ, শ্ৰী বি. এছ. মালিক আৰু শ্ৰী ছোলি জে ছৰাবজীৰ এই বিষয়ত যুক্তি এই যে ই এক দানৱীয় আৰু বৰ্বৰ বিধান আৰু বৈষম্যমূলক আৰু স্বেচ্ছাচাৰী হোৱা বাবে সমতাৰ বিধানক উলংঘা কৰে।  যুক্তি দৰ্শোৱা হৈছে যে আত্মহত্যাৰ চেষ্টা আন কোনো সভ্য সমাজত শাস্তিযোগ্য নহয় আৰু এনে শাস্তিমূলক ব্যৱস্থা ধৰি ৰখাৰ বিৰুদ্ধে এক শক্তিশালী মতামত আছে যাৰ বাবে ভাৰতৰ বিধি আয়োগেও ইয়াক পৰিহাৰ কৰাৰ পৰামৰ্শ দিছিল। শ্ৰী ছৰাবজীয়ে দৰ্শাইছে যে ১৪ নং অনুচ্ছেদৰ বহল প্ৰসাৰৰ লগতে ২১ নং অনুচ্ছেদত অন্তৰ্ভুক্ত মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰে ৩০৯ নং ধাৰাক অসাংবিধানিক কৰি তুলিছে। এইদৰেই, শ্ৰী ছৰাবজীয়ে ১৪ নং অনুচ্ছেদৰ সৈতে ২১ নং অনুচ্ছেদৰ প্ৰসংঘ উল্লেখ কৰি ভাঃদঃবিঃ আইনৰ ৩০৯ নং ধাৰাটোৰ বৈধতাক আক্ৰমণ কৰিবলৈ ২১ নং অনুচ্ছেদক কেৱল মৰ্যাদাপূৰ্ণ জীৱনত সীমাবদ্ধ (তাত মৃত্যুৰ অধিকাৰ অন্তৰ্ভুক্ত নকৰাকৈ) কৰা

হৈছে বুলি কৈছে। ।  পি. ৰথিনাম গোচৰত  লোৱা সিদ্ধান্ত এই ভিত্তিতে সমৰ্থিত।

সংবিধানৰ ১৪ নং অনুচ্ছেদৰ ওপৰতো ভিত্তি কৰি প্ৰত্যাহ্বানৰ কোনো যোগ্যতা নাই বুলি আমি মতামতত উপনিত হৈছো।  ১৪ নং অনুচ্ছেদৰ ওপৰত ভিত্তি কৰি কৰা যুক্তি পি. ৰথিনাম গোচৰতো নাকচ কৰা হৈছিল। ইয়াত তলত দিয়া ধৰণে মত পোষণ কৰা হৈছিল:

<এছএলএছ>

"বম্বে উচ্চ ন্যায়ালয়ে ৩০৯ ধাৰাক ১৪ নং অনুচ্ছেদ উলংঘা বুলি ধৰি লৈছিলে মূলতঃ দুটা কাৰণত। প্ৰথমতে, কোনটো কাৰ্য্য বা ধাৰাবাহিকভাৱে কৰা কাৰ্য্যক আত্মহত্যাৰ চেষ্টা বুলি ধৰা হ'ব, ক'ত ৰেখাডাল টানিব, সেয়া জনা নাযায় - কিছুমান চেষ্টা গুৰুতৰ হ’ব পাৰে আনহাতে কিছুমান অগুৰুতৰ হ’ব পাৰে। কোৱা হৈছিল যে প্ৰকৃততে দাৰ্শনিক, নৈতিকতাবাদী আৰু সমাজবিজ্ঞানীসকলৰ মাজত আত্মহত্যা কি হ’ব সেই বিষয়ে একমত নাছিল। বিজ্ঞ ন্যায়াধীশসকলৰ মতে যুক্তিযুক্ত সংজ্ঞা বা আনকি নিৰ্দেশনাৰ অভাৱে ধাৰা ৩০৯ক স্বেচ্ছাচাৰী কৰি তুলিছে। আন এটা কাৰণ দিয়া হৈছিল যে ৩০৯

নং ধাৰাত আত্মহত্যাৰ চেষ্টা কৰা পৰিস্থিতি বিবেচনা নকৰাকৈ আত্মহত্যাৰ সকলো চেষ্টাক একে দৃষ্টিৰে চোৱা হৈছে।

পূৰ্বতে উল্লেখ কৰা কাৰণবোৰৰ ভিতৰত প্ৰথমটো কাৰণ আমাৰ মতে শুদ্ধ নহয়, কাৰণ আত্মহত্যা কি সেই সম্পৰ্কে যিমানেই পাৰ্থক্য নাথাকক কিয়, আত্মহত্যা যে ইচ্ছাকৃতভাৱে নিজৰ জীৱন শেষ কৰা তাত কোনো সন্দেহ নাই, যিটো এনচাইক্লোপিডিয়া অৱ ক্ৰাইম এণ্ড জাষ্টিচৰ ১৯৮৩ৰ সংস্কৰণৰ ৪ৰ্থ খণ্ডৰ পৃষ্ঠা নং ১৫২১ত উল্লেখ কৰা হৈছে। অৱশ্যে আত্মহত্যাৰ গৱেষকৰ মাজত এতিয়াও মতানক্য আছে যে আত্মহত্যাৰ আচৰণ কি, উদাহৰণস্বৰূপে নিচাযুক্ত দ্ৰব্যৰ আসক্তি, দীৰ্ঘদিনীয়া মদ্যপান, অত্যাধিক সুম্ৰপান, অসাৱধানতাৰে গাড়ী চলোৱা ইত্যাদি বিপদজনক আচৰণ আত্মহত্যামূলক হয় নে নহয়। ইয়াৰ উপৰিও আত্মহত্যাৰ বাবে বিভিন্ন পদ্ধতি গ্ৰহণ কৰা হ'ব পাৰে, যেনে- আগ্নেয়াস্ত্ৰ ব্যৱহাৰ, ড্ৰাগছৰ দ্বাৰা বিষক্ৰিয়া, অতিমাত্ৰা সেৱন, চিপজৰি, গেছ উশাহ লোৱা। তথাপিও আত্মহত্যাই বহল সংজ্ঞা দিবলৈ **সক্ষম**, যিটো পূৰ্বতে উল্লেখ কৰা ৱেবষ্টাৰৰ অভিধানত দিয়া হৈছে। তদুপৰি, এটা বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সময়ত অভিযুক্তৰ বাবে সদায় মুকলি যে

তেওঁৰ কাৰ্য্যই আত্মহত্যাৰ ৰূপ লোৱা নাই বুলি দাবী কৰি বপাৰে য'ত আদালতে এই দিশটোও বিবেচনা কৰিব।

আত্মহত্যাৰ বিভিন্ন প্ৰচেষ্টাক একে দৃষ্টিৰে চোৱাৰ ক্ষেত্ৰত ইয়াকো ১৪ নং অনুচ্ছেদৰ উলংঘা বুলি ধৰিব নোৱাৰি, কিয়নো বাক্যটো উপযুক্তভাৱে ৰচনা কৰি চেষ্টাৰ প্ৰকৃতি, গুৰুত্ব আৰু পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখিব পাৰি। মন কৰিবলগীয়া যে ৩০৯ ধাৰাত সৰ্বোচ্চ শাস্তি এবছ পৰ্যন্ত হে দিয়া হৈছে। ইয়াত কেৱল শাস্তি হিচাপে জৰিমনা বিহাৰ ব্যৱস্থা আছে। কিছুমান ক্ষেত্ৰত অপৰাধীৰ পৰীক্ষামূলক আইনখনো প্ৰয়োগ কৰিব পাৰি, যাৰ ১২ নং ধাৰাই এনে ব্যক্তিৰ ওপৰত কোনো ধৰণৰ কলংক বা অযোগ্যতা জড়িত নথকাটো নিশ্চিত কৰিবলৈ আদালতক সক্ষম কৰিছে বুলি মত পোষণ কৰি অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে পূৰ্বতে উল্লেখ কৰা ৰায়দানত বম্বে উচ্চ ন্যায়ালয়ৰ মতামতৰ সৈতে মতানৈক্য প্ৰকাশ কৰিছে। অনুচ্ছেদ ১৪ সন্দৰ্ভত অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ে ধাৰা ৩০৯ সম্পৰ্কে গ্ৰহণ কৰা মতামতৰ সৈতে আমি একমত।"

( পৃষ্ঠা ৪০৫ )

(জোৰ দিয়া হৈছে)

<এছএলই>

সন্মান জনাই আমি ১৪ নং অনুচ্ছেদৰ ক্ষেত্ৰত পি. ৰথিনাম গোচৰত লোৱা মতামতৰ সৈতে একমত হওঁ।

আমি ইতিমধ্যে কৈছো যে বিধি আয়োগে আত্মহত্যাৰ চেষ্টাক শাস্তি দিয়া বিধানক আঁতৰোৱাৰ পৰামৰ্শকে ধৰি আত্মহত্যাৰ চেষ্টাক শাস্তি দিয়া বিদ্যমান ৰখাৰ বাঞ্ছনীয়তা সম্পৰ্কে বিতৰ্কই এই বিধান ১৪ নং অনুচ্ছেদ উলংঘা কৰা বাবে অসাংবিধানিক বুলি ইংগিত দিবলৈ যথেষ্ট নহয়। তথ্যসমূহ বিবেচনা কৰাৰ বাবে, শাস্তিৰ ক্ষেত্ৰত ব্যাপক বিবেচনাৰ দ্বাৰা বিধানৰ কঠোৰতা লাঘৱ হয় কাৰণ কোনো নূন্যতম শাস্তি প্ৰদানৰ প্ৰয়োজনীয়তা নাই, আনকি কাৰাদণ্ডৰ শাস্তি বাধ্যতামূলক নহয়। শাস্তি হিচাপেও কোনো নূন্যতম জৰিমনা নিৰ্ধাৰণ কৰা হোৱা নাই আৰু অকল এই শাস্তি ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ৰ অধীনত দোষী সাব্যস্ত হ'লেহে দিয়া হ'ব পাৰে। ১৪ নং অনুচ্ছেদ উলংঘা কৰা হোৱা নাই বুলি ধৰি লোৱাৰ বাবে পি. ৰথিনাম গোচৰত এই দিশটো লক্ষ্য কৰা হৈছে।

প্ৰকাশিত ৰায়সমূহত দেখা যায় যে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ৰ অধীনত দোষী সাব্যস্ত হোৱাৰ পিছতো কাৰ্যক্ষেত্ৰত অভিযুক্তক অপৰাধীৰ পৰীক্ষামূলক আইন, ১৯৫৮ আৰু ফৌজদাৰী কাৰ্য্যবিধি আইন, ১৯৭৩ৰ ধাৰা ৩৬০ৰ অনুৰূপ ফৌজদাৰী কাৰ্য্যবিধি আইন, ১৯০৮ৰ ধাৰা ৫৬২ৰ অধীনত

সহানুভুতিৰে সকাহ প্ৰদান কৰা হয়ঃ ম. বৰকট বনাম সম্ৰাট, এআইআৰ ১৯৩৪ লাহ ৫১৪; সম্ৰাট বনাম দ্বাৰকা পূজা, ১৪ বম্বে এলআৰ ১৪৬; সম্ৰাট বনাম ম. ধীৰাজিয়া, এআইআৰ ১৯৪০ এলা ৪৮৬; ৰাম সুন্দৰ বনাম উত্তৰ প্ৰদেশ ৰাজ্য, এআইআৰ ১৯৬২ এলা ২৬২; ভেলেন্টিনো বনাম ৰাজ্য, এআইআৰ ১৯৬৭ গোৱা ১৩৮; ফুলভাই বনাম মহাৰাষ্ট্ৰ ৰাজ্য, ১৯৭৬ চিএলজে ১৫১৯; ৰাধাৰানি বনাম মধ্য প্ৰদেশ ৰাজ্য, এআইআৰ ১৯৮১ এছচি ১৭৭৬; ৰুখমিনা দেৱী বনাম  উত্তৰ প্ৰদেশ ৰাজ্য, ১৯৮৮ চিএলজে ৫৪৮। ১৪ নং অনুচ্ছেদ সন্দৰ্ভত পি. ৰথিনাম গোচৰত ওপৰত উদ্ধৃত আলোচনাই ১৪ নং অনুচ্ছেদৰ ওপৰত ভিত্তি কৰি প্ৰত্যাহ্বান নাকচ কৰিবলৈ যথেষ্ট।

১৪ নং অনুচ্ছেদৰ ওপৰত ভিত্তি কৰি প্ৰত্যাহ্বানক সমৰ্থন কৰিবলৈ শ্ৰী ছৰাবজীয়ে বিচৰা ২১ নং অনুচ্ছেদৰ সাহায্যৰ কথা আমি চমুকৈ উল্লেখ কৰিব পাৰো। আমি পূৰ্বে ধৰি লৈছো যে মৃত্যুৰ অধিকাৰ ২১ নং অনুচ্ছেদৰ অধীনত 'জীৱনৰ অধিকাৰ'ত অন্তৰ্ভুক্ত নহয়। একে কাৰণতে, মানৱ মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰ'ক ইয়াৰ পৰিসৰৰ ভিতৰত নিশ্চিত মৃত্যুৰ স্বাভাৱিক প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ আগতে অন্ততঃ প্ৰাকৃতিক জীৱনৰ অন্ত পেলোৱাৰ অধিকাৰ অন্তৰ্ভুক্ত কৰা বুলি ধৰিব নোৱাৰি। আমি কব নোৱাৰো যে ১৪ নং অনুচ্ছেদৰ ভিত্তিত প্ৰত্যাহ্বানৰ সমৰ্থন কৰিবলৈ ২১ নং অনুচ্ছেদক কেনেকৈ প্ৰয়োগ

কৰিব পাৰি। সেয়েহে ৩০৯ নং ধাৰাটোৱে সংবিধানৰ ১৪ নং অনুচ্ছেদ বা ২১ নং অনুচ্ছেদৰ কোনো এটাকে উলংঘা কৰা বুলি মানি ল’ব নোৱাৰি।

ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ভাঃদঃবিঃ আইনৰ ৩০৯ নং ধাৰা সাংবিধানিকভাৱে অবৈধ বুলি ধৰি লোৱাৰ কোনো ভিত্তি নাই। ২১ নং অনুচ্ছেদত মৃত্যুৰ অধিকাৰ অন্তৰ্ভুক্ত কৰিবলৈ কৰা ধাৰণাৰ ভিত্তিত পি. ৰথিনাম গোচৰত লোৱা বিপৰীত মতামত আমি শুদ্ধ বুলি মানি ল’ব নোৱাৰে। ১৪ নং অনুচ্ছেদৰ ভিত্তিতো সেই সিদ্ধান্তক সমৰ্থন কৰিব নোৱাৰি। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ক কোনো কাৰণতে অসাংবিধানিক বুলি গণ্য কৰা উচিত নহয়।

ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ৰ বৈধতাঃ

এতিয়া প্ৰশ্ন হৈছে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ অন্য কোনো কাৰণত অসাংবিধানিক নেকি? আমাৰ মতে যিহেতু ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ৰ সাংবিধানিক বৈধতাৰ প্ৰত্যাহ্বান নাকচ কৰা হৈছে, ধাৰা ৩০৬ৰ সাংবিধানিক বৈধতাৰ প্ৰতি কোনো গুৰুতৰ প্ৰত্যাহ্বান নাথাকে। আমি ইতিমধ্যে পি. ৰথিনাম গোচৰৰ ওপৰত ভিত্তি কৰি ‘মৃত্যুৰ অধিকাৰ’ ২১ নং অনুচ্ছেদত অন্তৰ্ভুক্ত বুলি কৰা মূল প্ৰত্যাহ্বানটো নাকচ কৰিছো।

এয়া তাৎপৰ্যপূৰ্ণ  যে ৩০৬ ধাৰাৰ অপৰাধ এটা সুকীয়া প্ৰণয়ন যিটো ভাঃদঃবিঃ আইনৰ ৩০৯ৰ পৰা স্বতন্ত্ৰ ভাৱে অস্তিত্ব ৰক্ষা কৰিবলৈ সক্ষম। ধাৰা ৩০৬ আৰু ৩০৯ তলত দিয়া ধৰণে:

<এছএলএছ>

ধাৰা ৩০৬:

"৩০৬. আত্মহত্যাৰ বাবে উচটনি - যদি কোনো ব্যক্তিয়ে আত্মহত্যা কৰে, তেন্তে যিয়ে এনে আত্মহত্যাত সহায় কৰে, তেওঁক দহ বছৰলৈকে দীঘলীয়া হ'ব পৰা যিকোনো সময়সীমাৰ কাৰাবাসৰ শাস্তি দিয়া হ'ব আৰু জৰিমনাও বিহা হ'ব।

" ধাৰা ৩০৯:

"৩০৯. আত্মহত্যাৰ চেষ্টা- যিয়ে আত্মহত্যাৰ চেষ্টা কৰে আৰু এনে অপৰাধ সংঘটিত কৰাৰ দিশত যিকোনো কাম কৰে, তেওঁক এবছৰলৈকে সাধাৰণ কাৰাদণ্ড বা জৰিমনা বা দুয়োটাৰে দণ্ডিত দিয়া হ'ব।"

<এছএলই>

৩০৬ নং ধাৰাত আত্মহত্যাৰ বাবে উচটনি দিয়াৰ শাস্তি নিৰ্ধাৰণ কৰা হৈছে আনহাতে ৩০৯ নং ধাৰাত আত্মহত্যাৰ চেষ্টাক শাস্তি দিয়া হৈছে|

আত্মহত্যাৰ চেষ্টাৰ বাবে উচটনি ৩০৬ ধাৰাৰ পৰিসৰৰ বাহিৰত আৰু ইয়াৰ শাস্তি কেৱল ভাঃদঃবিঃ আইনৰ ধাৰা ১০৭ৰ সৈতে ধাৰা ৩০৯ৰ অধীনতহে প্ৰদান কৰা হয়। আন কিছুমান বিশেষ ন্যায়িক অধিকাৰক্ষেত্ৰত আত্মহত্যাৰ চেষ্টা কৰাটো শাস্তিমূলক অপৰাধ নহ'লেও উচটনি দিয়া ব্যক্তিক শাস্তি দিয়া হয়। তাত থকা বিধানত, আত্মহত্যাৰ চেষ্টাৰ উচটনিৰ লগতে আত্মহত্যাৰ উচটনিৰ বাবে শাস্তিৰ ব্যৱস্থা কৰা হৈছে। এইদৰে য'ত আত্মহত্যাৰ চেষ্টাৰ শাস্তি বাঞ্ছনীয় বুলি গণ্য কৰা হোৱা নাই, তাতো উচটনিক শাস্তিমূলক অপৰাধ হিচাপে গণ্য কৰা হৈছে। অৰ্থাৎ সহায়ক আত্মহত্যা আৰু সহায়ক আত্মহত্যাৰ চেষ্টাক সমাজৰ স্বাৰ্থত যুক্তিযুক্ত কাৰণত শাস্তিযোগ্য কৰি তোলা হৈছে। এনে শাস্তিমূলক ব্যৱস্থাৰ অনুপস্থিতিত অন্তৰ্নিহিত বিপদকো ৰোধ কৰিবলৈ এনে ব্যৱস্থা বাঞ্ছনীয় বুলি বিবেচিত হৈছে। আত্মহত্যাৰ চেষ্টা কৰা ব্যক্তিজনক শাস্তি নিদিয়াৰ বাবে কৰা আবেদনৰ সমৰ্থনত যিবোৰ যুক্তি আগবঢ়োৱা হৈছে, সেইবোৰে আত্মহত্যা কৰাত বা ইয়াৰ চেষ্টাত সহায় কৰা আন এজন ব্যক্তিৰ সুবিধাৰ বাবে লাভৱান নহয়। এই যুক্তি বিজ্ঞ এটৰ্নী জেনেৰেলৰ লগতে ন্যায়মিত্ৰ শ্ৰী নৰিমান আৰু শ্ৰী ছৰাবজীয়েও শক্তিশালীভাৱে আগবঢ়াইছে। আমি সেই যুক্তি অতিশয় শক্তিশালী বুলি পাইছো।

উচটনি দিয়া ব্যক্তিক বেলেগ ধৰণেৰে চোৱা হয়, যিহেতু তেওঁ আন এজন ব্যক্তিৰ জীৱন শেষ কৰাত সহায় কৰে আৰু এনে শাস্তিমূলক ব্যৱস্থাৰ অনুপস্থিতিৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ উচটনি দিয়া ব্যাক্তিক শাস্তি প্ৰদান কৰাটো প্ৰয়োজনীয় বুলি বিবেচিনা কৰা হয়। ব্ৰিটিছ আইনত আত্মহত্যা আইন, ১৯৬১ৰ প্ৰাসংগিক বিধানসমূহ তলত দিয়া ধৰণে উল্লেখ কৰা হ'ল:

<এছএলএছ>

"১) আত্মহত্যা অপৰাধ হোৱাটো বন্ধ:

এজন ব্যক্তিয়ে আত্মহত্যা কৰাটো অপৰাধ বুলি গণ্য কৰা আইনৰ শাসন ইয়াৰ দ্বাৰা বাতিল কৰা হ'ল।

---

টোকা

আত্মহত্যা।

"Felo de se বা আত্মহত্যা, য'ত বিবেচনাৰ বয়সৰ এজন মানুহ, আৰু compos mentis, স্বেচ্ছাই ছুৰীৰে আঘাত, বিষ বা অন্য কোনো উপায়েৰে নিজকে হত্যা কৰে" সাধাৰণ আইনত এটা গুৰুতৰ অপৰাধ আছিল (চাওক 1 Hale PC 411-419)। এই ধাৰাটোৱে সেই আইনৰ শাসন বাতিল কৰে।

কিন্তু, পিছৰ ধাৰা ২(১)ৰ অধীনত, যিজন ব্যক্তিয়ে আনৰ আত্মহত্যাত বা আত্মহত্যাৰ চেষ্টাত সহায় কৰে, পৰামৰ্শ দিয়ে বা ব্যৱস্থা কৰে, তেওঁ বিধিগত অপৰাধৰ বাবে দোষী।

এই আইনখন গৃহীত হোৱাৰ ফলত আত্মহত্যাৰ উদ্দেশ্যৰ সন্তোষজনক প্ৰমাণ সদায় প্ৰয়োজনীয় বুলি কোৱাটো এই আইনখন গৃহীত হোৱাৰ ফলত সলনি নহয় (চাওক আৰ বনাম কাৰ্ডিফ কোৰোনাৰ, এক্স পি থমাচ [১৯৭০] ৩ এলল ইআৰ ৪৬৯, [১৯৭০] ১ ডব্লিউ এল আৰ ১৪৭৫)।

----------------------------------------

২) আনৰ আত্মহত্যাত সহযোগিতাৰ বাবে অপৰাধমূলক দায়বদ্ধতা: (১) যি ব্যক্তিয়ে আনৰ আত্মহত্যাত বা আত্মহত্যাৰ চেষ্টাত উচটনি দিয়ে, সহায় কৰে, পৰামৰ্শ দিয়ে বা ব্যৱস্থা কৰে, তেওঁ দোষী সাব্যস্ত হ'লে কাৰাদণ্ডৰ বাবে দায়বদ্ধ হ'ব যি চৈধ্য বছৰতকৈ অধিক নহয়।"

(জোৰ দিয়া হৈছে)

<এছএলই>

এই পাৰ্থক্যটো ভালদৰে স্বীকৃতিপ্ৰাপ্ত আৰু আন দেশৰ কিছুমান সিদ্ধান্তত ইয়াক প্ৰতিফলিত কৰা হৈছে। কানাডাৰ উচ্চতম ন্যায়ালয়ৰ

ৰড্ৰিগজ বনাম বি.চি. (এ.জি.), ১০৭ ডি.এল.আৰ. (৪ৰ্থ ছিৰিজ) ৩৪২, তলত উল্লেখ কৰা হৈছে:

<এছএলএছ>

"জীৱনৰ পবিত্ৰতা, আমি লক্ষ্য কৰা দৰে, নিজৰ মৃত্যুৰ ইচ্ছা বাছনি কৰাৰ স্বাধীনতা আৰু নিশ্চিতভাৱে সেই বাছনি সম্পন্ন কৰাত আনৰ অংশগ্ৰহণক বাদ দি ঐতিহাসিকভাৱে বুজা হৈছে। অন্ততঃ জীৱন শেষ কৰা ব্যক্তিৰ ওপৰত ক্ষমতা প্ৰয়োগ কৰাত আনৰ অংশগ্ৰহণ নিয়ন্ত্ৰণ কৰাৰ ৰাষ্ট্ৰৰ অধিকাৰৰ বিৰোধিতা কৰি সমাজত কোনো নতুন সহমতৰ সৃষ্টি হোৱা নাই।" (৩৮৯ পৃষ্ঠাত)

<এছএলএছ>

এয়াৰডেল এন.এইচ.এ. ট্ৰাষ্ট বনাম ব্লেণ্ড, ১৯৯৩ (২) ডব্লিউ.এল.আৰ. ৩১৬ (এইছ.এল.), আছিল চিকিৎসকে জীৱন অব্যাহত ৰখাৰ বাবে কৃত্ৰিম ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ সৈতে জড়িত গোচৰ। যদিও চিকিৎসকৰ সহায়ত আত্মহত্যা বা ইচ্ছামৃত্যুৰ গোচৰৰ প্ৰসংগ লোৱাটো প্ৰয়োজনীয় নহয়, তথাপিও আইন আৰু ন্যায়ীক সমাজত উল্লেখ কৰা এই সিদ্ধান্তৰ চমু উল্লেখ কৰিব পাৰি। ৰোগীৰ বাবে কোনো উপকাৰ নোহোৱা স্থায়ী জড়তা অৱস্থাত

জিয়াই থকাৰ প্ৰেক্ষাপটত জীৱনৰ পবিত্ৰতাৰ নীতি, যিটো ৰাষ্ট্ৰৰ এক চিন্তনীয় বিষয়, চৰম নহয় বুলি কোৱা হৈছিল। তেনে ক্ষেত্ৰতো, যিবোৰত চিকিৎসকে তেওঁৰ ৰোগীৰ বাবে তেওঁৰ জীৱন দীঘলীয়া কৰিব পৰা বা দীৰ্ঘদিনীয়া কৰিব পৰা চিকিৎসা বা যত্ন প্ৰদান নকৰাৰ সিদ্ধান্ত লয় আৰু যিবোৰত উদাহৰণস্বৰূপে মাৰাত্মক ঔষধ প্ৰয়োগ কৰি, সক্ৰিয়ভাৱে তেওঁৰ ৰোগীৰ জীৱনৰ অন্ত পেলাবলৈ সিদ্ধান্ত লয়, সেই ক্ষেত্ৰসমূহৰ মাজত বিদ্যমান গুৰুত্বপূৰ্ণ পাৰ্থক্য থকা বিষয় সমূহ ইংগিত দিয়া হৈছিল আৰু তাৰ পিছত ইয়াক তলত উল্লেখ কৰা হৈছিল:

<এছএলএছ>

"..........কিন্তু চিকিৎসকে তেওঁৰ ৰোগীক তেওঁৰ মৃত্যু আনিবলৈ ঔষধ দিয়াটো বৈধ নহয়, যদিও সেই পন্থা তেওঁৰ দুখ-কষ্ট, যিমানেই ডাঙৰ নহওক কিয়, অন্ত পেলোৱাৰ মানৱীয় ইচ্ছাৰ দ্বাৰা প্ৰেৰিত। ৰেগ বনাম কক্স (অপ্ৰকাশিত) ১৮ ছেপ্টেম্বৰ, ১৯৯২ চাওক। গতিকে কাৰ্য্যটো হ'ল এক অটল সিদ্ধান্ত লোৱা য'ত এফালে জীৱিত ৰোগীৰ যত্ন আৰু আনফালে ইচ্ছামৃত্যু - দুখ-কষ্টৰ অন্ত পেলাবলৈ সক্ৰিয়ভাৱে মৃত্যু ঘটোৱা। ইচ্ছামৃত্যু সাধাৰণ আইনত বৈধ নহয়। অৱশ্যেই সকলোৱে জানে যে আমাৰ সমাজৰ বহু দায়িত্বশীল সদস্য আছে যিয়ে ইচ্ছামৃত্যুক বৈধ কৰি তুলিব লাগে বুলি বিশ্বাস

কৰে কিন্তু সেই ফলাফল, মোৰ বিশ্বাসত, আমাৰ আইনত ইমান মৌলিক পৰিৱৰ্তন কেৱল আইন প্ৰণয়নৰ দ্বাৰাহে লাভ কৰিব পৰা যাব যিয়ে গণতান্ত্ৰিক ইচ্ছা প্ৰকাশ কৰে আৰু যদি আইন প্ৰণয়ন কৰা হয়, তেন্তে নিশ্চিত কৰিব পাৰে যে এনে বৈধ হত্যাকাণ্ড কেৱল উপযুক্ত তত্বাৱধান আৰু নিয়ন্ত্ৰণৰ অধীনত সম্পন্ন কৰা হ'ব।

(জোৰ দিয়া হৈছে)

(৩৬৮ পৃষ্ঠাত)

<এছএলই>

এনে পৰিৱৰ্তন অনাৰ বাঞ্ছনীয়তাক আইনসভা কাম বুলি গণ্য কৰা হৈছিল, যিয়ে কোনো সম্ভাব্য অপব্যৱহাৰ ৰোধ কৰিবলৈ পৰ্যাপ্ত সুৰক্ষা প্ৰদান কৰি উপযুক্ত আইন প্ৰণয়ন কৰিব।

ডায়িং বনাম ৱাশ্বিংটন ৰাজ্য, ৪৯ এফ.৩ডি ৫৮৬, সহমৰ্মিতা গোচৰত আমেৰিকা যুক্তৰাজ্যৰ নৱম পৰিধিৰ আপীল আদালতৰ সিদ্ধান্তই আমেৰিকাৰ জিলা আদালতৰ সিদ্ধান্ত সলনি কৰে। ৮৫০ ফেডাৰেল চাপ্লিমেন্ট ১৪৫৪ত প্ৰকাশিত হোৱা ডব্লিউ.ডি. ৱাশ্বিংটনৰো প্ৰাসংগিকতা আছে। মানসিকভাৱে দক্ষ মৃত্যুমুখত পৰা প্ৰাপ্তবয়স্ক ৰোগীৰ দ্বাৰা চিকিৎসকৰ সহায়ত আত্মহত্যা নিষিদ্ধ কৰা বিধিখনৰ সাংবিধানিক বৈধতাক লৈ প্ৰশ্ন উত্থাপন হৈছিল।

আত্মহত্যাৰ চেষ্টাক উদগনি দিয়াৰ বাবে শাস্তি প্ৰদান কৰা বিধানটোক জিলা আদালতে অসাংবিধানিক বুলি ঘোষণা কৰে। আপীল কৰাত সেই ৰায় সলাই দিয়া হৈছিল আৰু বিধানটোৰ সাংবিধানিক বৈধতা বাহাল ৰখা হৈছিল।

চিকিৎসকৰ সহায়ত আত্মহত্যাৰ ক্ষেত্ৰতো এই সাৱধানতাই এইটো বুজাবলৈ যথেষ্ট যে সেই শ্ৰেণীৰ বাহিৰৰ সহায়ক আত্মহত্যাই জীৱনৰ পবিত্ৰতাৰ মৌলিকতাক বাদ দিয়া বুলি দাবী কৰাৰ কোনো যুক্তিসংগত ভিত্তি নাই। আত্মহত্যাৰ চেষ্টাক শাস্তি প্ৰদান কৰা ব্যৱস্থাক আক্ৰমণ কৰাৰ কাৰণসমূহ আত্মহত্যা কৰিবলৈ উচটনি দিয়া ব্যাক্তি বা আত্মহত্যাৰ চেষ্টা কৰা ব্যাক্তিৰ বাবে উপলব্ধ নহয়। আত্মহত্যাৰ বাবে উচটনি বা আত্মহত্যাৰ চেষ্টা কৰাটো এটা সুকীয়া অপৰাধ যিটো আত্মহত্যাৰ চেষ্টাক শাস্তি প্ৰদান নকৰা দেশৰ আইনতো প্ৰণয়ন কৰা দেখা যায়। ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ হৈছে এটা সুকীয়া অপৰাধৰ বিধান যিটো ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ৰ পৰা স্বতন্ত্ৰভাৱে বৰ্তি থাকিব পাৰে। বিজ্ঞ এটৰ্নী জেনেৰেলৰ লগতে বিজ্ঞ ন্যায়মিত্ৰ দুয়োজনেই ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ৰ সাংবিধানিক বৈধতাক সঠিকভাৱে সমৰ্থন কৰিছে।

বম্বে উচ্চ ন্যায়ালয়ে নৰেশ মাৰোত্ৰাও সাকব্ৰে আৰু অন্যান্য বনাম ভাৰত চৰকাৰ আৰু অন্যান্য, ১৮৯৫ Crl.L.J. ৯৬, গোচৰত ভাঃদঃবিঃ

আইনৰ ধাৰা ৩০৬ৰ বৈধতাৰ প্ৰশ্নটো বিবেচনা কৰে তাক বাহাল ৰাখে। ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ক অসাংবিধানিক বুলি ধৰা কোনো সিদ্ধান্ত আমাৰ সন্মুখত উল্লেখ কৰা হোৱা নাই। ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ বা ৩০৬ক অসাংবিধানিক বুলি ধৰাৰ কোনো কাৰণ আমি বিচাৰি পোৱা নাই।

আমি দিয়া কাৰণসমূহৰ বাবে বোম্বে উচ্চ ন্যায়ালয়ে মাৰুতি শ্ৰী পাতি দুবাল বনাম মহাৰাষ্ট্ৰ ৰাজ্য, ১৯৮৭ Crl. L.J. ৭৪৩, আৰু এই আদালতৰ এখন খণ্ড বিচাৰপীঠে পি. ৰথিনাম বনাম ভাৰত চৰকাৰ আৰু এজন, ১৯৯৪ (৩) এছচিচি ৩৯৪, গোচৰত ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ অসাংবিধানিক বুলি লোৱা সিদ্ধান্ত শুদ্ধ নহয়। চেন্না অগদেশ্বৰ আৰু আন এজন বনাম অন্ধ্ৰ প্ৰদেশ ৰাজ্য ১৯৯৮ Crl. L.J. ৫৪৯ গোচৰত অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ে ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৯ সংবিধানৰ ১৪ বা ২১ অনুচ্ছেদ দুয়োটাৰ কোনো এটাকেই উলংঘা নকৰে বুলি লোৱা সিদ্ধান্তক ইয়াত উল্লেখ কৰা কাৰণসমূহৰ বাবে অনুমোদন জনোৱা হ'ল। ভাঃদঃবিঃ আইনৰ ধাৰা ৩০৬ আৰু ৩০৯ৰ সাংবিধানিক বৈধতাৰ প্ৰশ্নসমূহৰ ক্ষেত্ৰত সেই অনুসৰি সিদ্ধান্ত লোৱা হ'ল আৰু দুয়োটা বিধানেই সাংবিধানিকভাৱে অবৈধ নহয় বুলি ধৰি লোৱা হ'ল।

এই আপীলসমূহ এতিয়া ভাঃদঃবিঃ আইনৰ ৩০৬ আৰু ৩০৯ নং ধাৰাক সাংবিধানিকভাৱে বৈধ বুলি বিবেচনা কৰি আইন অনুসৰি গুণাগুণৰ ভিত্তিত সিদ্ধান্তৰ বাবে উপযুক্ত খণ্ড বিচাৰপীঠৰ সন্মুখত তালিকাভুক্ত কৰা হ'ব।

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"

অনুবাদকঃ

মোঃ ছফিজুৰ ৰহমান

মুখ্য অনুবাদক